# Course 506

# কন্যা শিশু সবলীকৰণ

ব্লক - 4

গোট - 12

টোকা

## গোট - 12 ঃ কন্যা শিশু সৰলীকৰণ

# গাঁথনি

12.0 পাতনি

12.1 শিকন উদ্দেশ্য

12.2 সবলীকৰণৰ ধাৰণা

12.3 কন্যা শিশু সবলীকৰণৰ প্ৰাৰম্ভিক পদক্ষেপ সমূহ

12.3.1 সবলীকৰণৰ অৰ্থ

12.3.2 মহিলা সবলীকৰণৰ নিৰ্দেশক

12.3.3 কন্যা সৰলীকৰণৰ প্ৰয়োজনীয়তা

12.3.4 সবলীকৰণত শিক্ষাৰ ভূমিকা

12.3.5 আনুষ্ঠানিক আৰু অনানুষ্ঠানিক শিক্ষাৰ জৰিয়তে সৰলীকৰণ

12.4. জীৱন কৌশলৰ উন্নয়ন

12.4.1 সংবিধানৰ জনাদেশ

12.4.2 চৰকাৰৰ পদক্ষেপ আৰু নীতিসমূহ

12.4.3 গ্ৰামাঞ্চলৰ ছোৱালীৰ বাবে আঁচনি

12.5. মহিলা আৰু ছোৱালীৰ সবলীকৰণৰ ক্ষেত্ৰত সংস্থাসমূহৰ ভূমিকা

12.5.1 চৰকাৰৰ ভূমিকা

12.5.2 বেচৰকাৰী অনুষ্ঠানসমূহৰ ভূমিকা

12.5.3 স্থানীয় ৰাজহুৱা গোট এচ ডি এম চিৰ ভূমিকা

12.5.4 কন্যা শিশু সবলীকৰণত বিদ্যালয় আৰু শিক্ষকৰ ভূমিকা

12.6 সংক্ষিপ্তাৱলী

12.7 আপোনাৰ অগ্ৰগতিৰ পৰীক্ষা

12.8 পঠনৰ আভাস আৰু উল্লেখ

12.8 গোট অন্তৰ অনুশীলন

## 12.0 পাতনি ঃ

বিশ্ব জনসংখ্যাৰ 50 শতাংশ মহিলা এতিয়ালৈকে তেওঁলোকেই জীৱনৰ সকলোক্ষেত্ৰতে বহু পৰিমাণে পৰিত্যক্ত হৈ আছে। তেওঁলোক মুঠ কৰ্মৰ দুই তৃতীয়াংশ কৰ্ম কৰে আৰু মুঠ উপাৰ্জনৰ এক তৃতীয়াংশহে উপাৰ্জন কৰে আৰু মুঠ সম্পত্তিৰ 10শতাংশহে মালিকীস্বত্ব তেওঁলোকৰ হাতত আছে। আগৰ গোটত লিংগ বৈষম্যই



টোকা

কিদৰে সমাজত মহিলা আৰু ছোৱালীক বশীভূত কৰি আহিছে আমি শিকি আহিছো। প্ৰচলিত পক্ষপাতিত্ব আৰু লিংগ বৈষম্যৰ বাবেই সৰহসংখ্যক মহিলাই অগ্ৰহণযোগ্য দৰিদ্ৰতাত জীৱন কটাবলগীয়া হয়। অৰ্থনৈতিক সুযোগ আৰু স্বতন্ত্ৰতা, অৰ্থনৈতিক সমলৰ অভাৱ, শিক্ষা আৰু স্বাস্থ্য সুবিধাৰ অভাৱৰ বাবেই এনে হৈছে। উন্নয়ন আৰু সিদ্ধান্ত গ্ৰহণকাৰী প্ৰক্ৰিয়াত তেওঁলোকৰ কোনো বক্তব্য নাই। সেয়েহে সমান সা-সুবিধা আৰু শিক্ষা আৰু সবলীকৰণৰ জৰিয়তে অধিকাৰৰ বাস্তৱ ৰূপায়ণৰ বাবে তাৎক্ষণিক মনোযোগৰ প্ৰয়োজন। আমি সবলীকৰণৰ ধাৰণা, মহিলা আৰু কন্যা শিশুৰ সবলীকৰণত শিক্ষাৰ ভূমিকাৰ বিষয়ে আলোচনা কৰিবলৈ ওলাইছো। আমি ইয়াত আৰু জীৱন কৌশল উন্নীতকৰণৰ প্ৰয়োজনীয়তা আৰু চৰকাৰ আৰু বেচৰকাৰী সংস্থাসমূহে মহিলা আৰু কন্যা শিশুৰ সবলীকৰণৰ বাবে লোৱা পদক্ষেপসমূহ প্ৰত্যক্ষ কৰিম।

## 12.1 শিকন উদ্দেশ্য ঃ

এই গোটটিৰ অধ্যয়ন সম্পূৰ্ণ কৰাৰ অন্তত আপুনি জানিবলৈ সামৰ্থ হ'ব-

- সৱলীকৰণৰ অৰ্থ ব্যাখ্যা কৰা
- সৱলীকৰণৰ বিভিন্ন নিৰ্দেশকসমূহ চিনাক্ত কৰা
- কন্যা সৱলীকৰণৰ প্ৰয়োজনীয়তা বিশ্লেষণ
- কন্যা সৱলীকৰণত শিক্ষাৰ ভূমিকা আৰু প্ৰয়োজনীয়তা পৰ্যবেক্ষণ কৰা
- শিক্ষাৰ উন্নীতকৰণত চৰকাৰ নীতি আৰু অন্যান্য পদক্ষেপ সমূহৰ নাম দিয়া।
- গ্ৰামাঞ্চলৰ ছোৱালী আৰু মহিলাৰ বাবে চৰকাৰী আঁচনি সমূহৰ তালিকাভুক্ত কৰা।
- ছোৱালী আৰু মহিলাৰ সবলীকৰণত বেচৰকাৰী সংস্থাৰ ভূমিকা চিনাক্তকৰণ
- ছোৱালীৰ শিক্ষাৰ উত্তৰণত শিক্ষকৰ ভূমিকা আৰু দায়বদ্ধতা বুজি পোৱা।
- জীৱন শৈলীৰ কৌশলসমূহৰ গুৰুত্ব বুজি পোৱা।

## 12.2 সৱলীকৰণৰ ধাৰণা

সৱলীকৰণৰ ধাৰণা বুজাৰ আগতে আমাক ৰামাৰ উদাহৰণেৰে এটা অধ্যয়ন পৰ্যবেক্ষণ কৰিবলৈ আগবাঢ়ি—

হুলিয়াপুৰা এখন বিদ্যালয়, স্বাস্থ্যকেন্দ্ৰ আৰু পঞ্চায়তৰ কাৰ্যালয় থকা ডাঙৰ গাঁও। তিনিটা ল'ৰা-ছোৱালীৰ, ৰাধাবাই এগৰাকী দুখীয়া নিৰক্ষৰ বিধবা মহিলা। গৃহস্থৰ দুৰ্ঘটনাবশত হোৱা মৃত্যুৰ পিছত জীৱিকাৰ বাবে ৰাধাবায়ে জমিদাৰৰ কৃষি ক্ষেত্ৰত কাম কৰিবলগীয়া হ'ল। তেওঁ সামান্য ধনেৰে ঘৰখন পৰিচালনা কৰাটো কঠিন অনুভৱ কৰিবলৈ ধৰিলে। সেয়েহে তেওঁ তেওঁৰ ডাঙৰ জীয়ৰী সাত বছৰ বয়সীয়া ৰামাক তেওঁৰ লগত খেতি পথাৰত কাম কৰিবলৈ আনিবলৈ আৰু সৰু ল'ৰা দুটা, চিন্দু (সাত বছৰ) আৰু



টোকা

বাবু (চাৰি বছৰ)ক বিদ্যালয়লৈ পঠোৱাৰ বাবে ঠিৰাং কৰিলে। এসপ্তাহৰ পিছত শিক্ষকে ঘটনাটো জানিব পাৰিলে। তেখেতে ৰামাৰ বাবে বৰ দুখ অনুভৱ কৰিলে আৰু ৰামাৰ ঘৰলৈ যোৱাৰ সিদ্ধান্ত ল'লে। প্ৰথমে তেওঁ স্থানীয় মহিলা সংঘৰ সদস্যসকলৰ ওচৰলৈ গ'ল আৰু ৰামাৰ মাকক ৰাজি কৰাবলৈ তেওঁলোকৰ সহায় বিচাৰিলে। তেওঁলোক সকলোৱে ৰাধাবাইক লগ ধৰিছিল আৰু ৰামাক বিদ্যালয়লৈ পুনৰ ঘূৰাই পথাবলৈ তেওঁক সন্মত কৰিবলৈ চেষ্টা কৰিছিল। এঘণ্টা জোৰা আলোচনাৰ অন্তত তেওঁ শিক্ষাৰ প্ৰয়োজনীয়তা বুজি পালে আৰু ৰামাক পুনৰ বিদ্যালয়লৈ ঘূৰাই পথাবৰ বাবে সন্মত হ'ল। ঘূৰি আহোতে, সংঘৰ সদস্যাসকলে, জৰুৰীকালীন অৱস্থাত ৰাধাবাইক সহায় কৰিব বুলি কথা দি আহিল আৰু বিধবা পেঞ্চনৰ দিহা কৰাৰ বাবে সহায় কৰাৰ প্ৰতিশ্ৰুতি দিলে। এনেদৰেই পৰিস্থিতি ভালৰ পালে গ'ল। সক্ৰিয় ৰামাই শিক্ষকৰ উৎসাহ আৰু সমৰ্থনত তাইৰ পঢ়াশুনা অব্যাহত ৰাখিলে। বাৰ বছৰ শিক্ষা লাভৰ অন্তত ৰামাই এগৰাকী প্ৰমাণিত ফাৰ্মাচিষ্ট হিচাপে হুলিয়াপুৰা লৈ ঘূৰি আহিল। তেওঁ তেওঁৰ গাঁওখনক সেৱা কৰাৰ সিদ্ধান্ত লৈছিল আৰু স্থানীয় বেংকৰ আৰ্থিক সহযোগত এখন ঔষধৰ দোকান খুলিছিল। উদ্বোধনী অনুষ্ঠানত গাঁৱৰ মুখীয়ালসকলে ৰামাক তেওঁৰ সফলতাৰ বাবে অভিনন্দন জনাইছিল আৰু তেওঁক এগৰাকী সবল মহিলা তথা গাঁৱৰ অন্য ছোৱালীৰ বাবে আদৰ্শনীয় ব্যক্তি বুলি কৈছিল। ৰাধাবাইয়ে তেওঁৰ ছোৱালী ৰামাৰ বাবে গৌৰৱ অনুভৱ কৰিছিল।

কিয় গাঁৱৰ মুখীয়ালে ৰামাক সবল মহিলা বুলি কৈছিল? ই কি বুজায়? আমাক সবলীকৰণ শব্দৰ অৰ্থ বুজিবলৈ দিয়া হওক—

## 12.2.1. সবলীকৰণৰ অৰ্থ

সবলীকৰণৰ ইংৰাজী প্ৰতিশব্দ empowerment ৰাশিটোত powerৰ আগত দিয়া উপসৰ্গ 'Em' এ 'to make' বনোৱা 'Couse to be' 'হোৱাৰ কাৰণ' বুলি বুজায়। অৰ্থাৎ Empower শব্দই ক্ষমতাশালী বনোৱাটো বুজায়। ক্ষমতাৰ ধাৰণাটো, সবলীকৰণ মূলৰ পৰা অহা। ক্ষমতা চাৰি ধৰণেৰে কাৰ্যকৰী কৰা হয়—

**(1) Power over (উৰ্দ্ধতন ক্ষমতা)** ঃ ইয়াত ক্ষমতা কোনো ব্যক্তি বা দলৰ এক দমন বা অনুগমন সম্পৰ্কৰ লগত জড়িত।

**(2) Power to (ক্ষমতাৰ প্ৰতি)** ঃ ক্ষমতাই সিদ্ধান্ত গ্ৰহণৰ কৰ্তৃত্ব সমস্যা সমাধানৰ ক্ষমতা আৰু সৃষ্টি আৰু সামৰ্থও পাব পাৰে।

**(3) Power withen (ক্ষমতা অন্তৰ্নিহিত)** ঃ ই আত্মবিশ্বাস, আত্ম সচেতনতা আৰু মুখৰতাক বুজায়।

**(4) Power with (ক্ষমতা সৈতে)** ঃ এই ক্ষমতা সমূহীয়া উদ্দেশ্যত উপনীত হ'বলৈ সংগঠিত হোৱা লোকৰ লগত জড়িত। ক্ষমতা প্ৰতি, ক্ষমতা অন্তৰ্নিহিত আৰু ক্ষমতাৰ সৈতে হিচাপ ওপৰত বৰ্ণনা কৰা ক্ষমতাৰ ধাৰণাবোৰ উৰ্দ্ধতন সমতাৰ বিকল্প হিচাপে বিকাশ ঘটাব পাৰি।



টোকা

মহিলাৰ ক্ষেত্ৰত সম্পদসমূহৰ সামাজিক ক্ষমতা আৰু নিয়ন্ত্ৰণৰ প্ৰক্ৰিয়াৰ ধাৰণাই হ'ল মহিলাৰ সবলীকৰণ। এই সম্পদসমূহৰ চাৰিটা শ্ৰেণীত বিভক্ত কৰা হৈছে যেনে (1) প্ৰাকৃতিক সম্পদ - মাটি, পানী আৰু অৰণ্য, (2) বৌদ্ধিক সম্পদ - তথ্য, জ্ঞান আদি (3) মানৱ সম্পদ- মানুহ, শ্ৰম আৰু কৌশল আৰু অৰ্থনৈতিক সম্পদ- টকা পইচা আৰু সম্পত্তি। সবলীকৰণ প্ৰক্ৰিয়াৰ জৰিয়তে মহিলাই এই সম্পদসমূহৰ নিয়ন্ত্ৰণ কৰি হীনমান্যতাৰ পৰিস্থিতিক প্ৰত্যাহ্বান কৰিবলৈ ক্ষমতা পায়। এইদৰে জ্ঞানৰ প্ৰভাবৰ কাৰণে অৰ্থনৈতিক সম্পদ আৰু ব্যক্তিগত জীৱন আত্মনিয়ন্ত্ৰণৰ জৰিয়তে ঘৰুৱা আৰু ৰাজনৈতিক জীৱন যাত্ৰাত ক্ষমতাৰ অংশ পাবলৈ সক্ষম হ'ব। মহিলা মুক্তি, বাছনিৰ সুবিধা আৰু জীৱন ধাৰণত সমতাৰ লক্ষ্যৰে সবলীকৰণ হ'ল এক গতিশীল প্ৰক্ৰিয়া। মূলতঃ এইবোৰৰ জৰিয়তে মহিলা জীৱনযাত্ৰাৰ পৰিবৰ্তন আনিব পাৰে।

সবলীকৰণ ধাৰণা সেই কাৰণে বহুমুখী। আমি সবলীকৰণক দুটা পৰ্যায়ত চাব পাৰো- (1) ব্যক্তিগত সবলীকৰণ আৰু (2) সামূহিক সবলীকৰণ। আৰ্থ-সামাজিক আৰু ৰাজনৈতিক সবলীকৰণ হ'ল ব্যক্তিগত সবলীকৰণ আৰু সামূহিক ঐক্যমত আৰু কামকাজ হ'ল সামূহিক সবলীকৰণ।

সবলীকৰণ হ'ল তল-ওপৰ প্ৰক্ৰিয়া, ই ওপৰ-তল কৌশল নহয়। মহিলা নিজে নিজে সবলীকৃত হ'ব লাগে। বাহ্যিক হস্তক্ষেপে প্ৰক্ৰিয়াটোক সহায় কৰে। সবলীকৰণক এক বিশেষ ক্ৰিয়া বা ফলাফল হিচাপে বৰ্ণনা কৰিব নোৱাৰি যিহেতু ইয়াত এটা প্ৰক্ৰিয়া থাকে যাৰ জৰিয়তে মহিলাই বিকাশ আৰু মুক্ত বিশ্লেষণ কৰি তেওঁলোকক আগ্ৰহ আৰু প্ৰয়োজনৰ ক্ষেত্ৰত মাত মাতিব পাৰে। ৰামাৰ ক্ষেত্ৰত শিক্ষাই সক্ষমতা বৃদ্ধি কৰি সিদ্ধান্ত লোৱাত সহায় কৰিছে। জীৱনৰ পথ বাচি ল'বলৈ তেওঁৰ স্বাধীনতা আছিল। এইটোৱে সবলীকৰণ।

## 12.2.2. মহিলা সবলীকৰণৰ সূচকসমূহ

ওপৰৰ ঘটনা বিৱৰণত গাঁৱৰ চাৰপঞ্চ ৰামা এগৰাকী সবলীকৃত মহিলা। কিহৰ কাৰণে তেওঁক তেনেকৈ কোৱা হয়। এইটো তেওঁৰ গাঁৱৰ উন্নয়নৰ কাৰণে ইচ্ছাকৃতভাৱে বৰঙণি, তেওঁৰ সমল কৰাৰ ক্ষমতা বা কোনো এটা কাম আৰম্ভ কৰিবলৈ থকা আত্মবিশ্বাস?.... হয়! মহিলা সবলীকৰণৰ কিছুমান সূচক আছে। তলৰ 1নং চিত্ৰত চাওঁক— এইবোৰত নিজেই ব্যাখ্যা কৰে। সবলীকৰণে মহিলাৰ আত্ম সন্মান, আত্মবিশ্বাস বঢ়ায় আৰু অৰ্থনৈতিকভাৱে আত্মনিৰ্ভৰশীল কৰে। সবলীকৰণৰ আন সূচকসমূহ হ'ল- বিকাশ প্ৰক্ৰিয়াৰ সৈতে সক্ৰিয় অংশগ্ৰহণ, ঘৰুৱা আৰু ৰাজনৈতিক ক্ষেত্ৰত সিদ্ধান্ত ল'ব পৰা ক্ষমতা, শিক্ষা আৰু স্বাস্থ্যৰ ক্ষেত্ৰ অধিক সুবিধা পোৱা, আনৰ অধিকাৰৰ বিষয়ে সজাগতা আদি। সবলীকৰণ প্ৰক্ৰিয়াৰ জৰিয়তে মহিলাসকলে তেওঁলোকৰ বাস্তৱ সত্য আৰু পৰিস্থিতি ক্ৰিয়া কৰা কাৰকৰ বিষয়ে জানিবলৈ সমৰ্থ হয়। ইয়ে পৰিস্থিতিত ভালদৰে প্ৰতিক্ৰিয়া কৰাৰ সক্ষমতা বঢ়ায়। এই প্ৰক্ৰিয়াত তেওঁলোক কামৰ মূল্যৰ স্বীকৃতি পায়।

টোকা



## 12.2.3. কন্যা শিশু সবলীকৰণৰ প্ৰয়োজনীয়তা

ওপৰৰ ঘটনা অধ্যয়নত কোনে জীৱনৰ প্ৰত্যাহ্বানৰ ভালদৰে সন্মুখীন হ'ব পাৰিছে? ৰাধাবাই নে ৰামাই? .... আপুনি উত্তৰটো জানে....। নিঃসন্দেহে ৰামাই। তেওঁ শিক্ষিত, সবলীকৃত আৰু জীৱনৰ প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ সক্ষমতা আছে।

জ্ঞানেই ক্ষমতা। কিন্তু আমাৰ পুৰুষ প্ৰধান সমাজত সামাজিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক কাৰণৰ বাবে বেছিভাগ মহিলাক শিক্ষাৰ সুবিধাৰ পৰা বঞ্চিত হয়। মহিলাৰ পৰা গতানুগতিক কাম যেনে মাক, পত্নী আৰু ছোৱালী ৰূপত আশা কৰে। আনকি জীৱিকাৰ ক্ষেত্ৰত শিক্ষক, নাৰ্চ বা তেনেধৰণৰ কাম কৰাটো বিচাৰে। ল'ৰা আৰু ছোৱালীক সমাজৰ নীতি নিয়ম কোনো প্ৰশ্ন নকৰাকৈ অনুকৰণ কৰাটো বিচাৰে।

যদিও আমাৰ সংবিধানে মহিলাৰ সমতাৰ উন্নতিৰ কথা উল্লেখ কৰিছে বৰ্তমান অৱস্থাত মহিলা আৰু ছোৱালী মৰ্যাদা দুৰ্বল হিচাপে চলি আহিছে। মূল বাধাটো হৈছে শিক্ষাৰ অভাৱ। গতানুগতিকভাৱে চলি অহা অভ্যাসটো কন্যা শিশুৰ সবলীকৰণ পথত বাধা আহিছে আৰু তাৰ বাবে তেওঁলোক সবলীকৰণ হ'বই লাগিব। ক্ষমতাটো বেপাৰ-বাণিজ্য কৰা বস্তু নহয়, ইয়াক আহৰণ কৰি অনুশীলন কৰিব লাগিব। সবলীকৰণৰ জৰিয়তে তেওঁ পৰিস্থিতি মোকামিলা কৰিব পাৰে আৰু ইয়ে তেওঁ জীৱনক প্ৰভাবান্বিত কৰিব। তেওঁ জ্ঞান আৰু সমল বৃদ্ধি কৰাৰ সুবিধা পাব। এক পক্ষীয় ৰীতি নীতি আৰু সামাজিক বাধাৰ পৰা মুক্ত হৈ ব্যক্তিগত বিষয়ত স্ব-শাসন লাভ কৰিব। ইয়ে তেওঁক পচন্দ কৰাৰ স্বাধীনতা দিব। যদি 50 শতাংশ জনসংখ্যাই উন্নয়নৰ ক্ষেত্ৰত মনোযোগ নাপায় দেশৰ সম্পূৰ্ণ বিকাশ অসম্ভৱ। শিশুৰ সমতা সমাজ এখন পাবলৈ মহিলাৰ সবলীকৰণ অতি প্ৰয়োজনীয়।

## 12.2.4. কন্যাশিশুৰ সবলীকৰণত শিক্ষাৰ ভূমিকা

ৰামাৰ ক্ষেত্ৰত শিক্ষাই তেওঁৰ জীৱনৰ পৰিস্থিতিৰ পৰিবৰ্তনত কেনেকৈ সহায় কৰিলে পাই আহিছে। স্বামীৰ মৃত্যুৰ পিছত ৰাধাবাই তেওঁৰ তিনিটা সন্তানৰ প্ৰয়োজন পূৰণৰ বাবে যথেষ্ট সংগ্ৰাম কৰিবলগীয়া হৈছিল। তেওঁৰ কোনো বিকল্প নাছিল আৰু



টোকা

শিক্ষাৰ অভাৱে পৰিস্থিতি বেছি দুৰুহ কৰিছিল। কোনো ফলাফল নজনাকৈ ৰাধাবাই তেওঁৰ ছোৱালীজনী বিদ্যালয়ক যাব দিয়া নাই। এই অবিবেচক চক্ৰটো এইদৰে গৈ থাকে।

ভাৰতবৰ্ষত পুৰুষৰ তুলনাত মহিলাৰ লিংগৰ অনুপাত কম, নিম্ন সাক্ষৰতাৰ হাৰ, নিম্ন জীৱনৰ আয়ুস কাল, নিবনুৱা, অধিক প্ৰসূতিৰ মৃত্যু, নিম্ন স্বাস্থ্যৰ সুবিধা, মহিলাৰ বাবে অধিক অপৰাধমূলক ঘটনা আদি সূচকবোৰে মহিলাৰ সমাজত স্থান নিম্ন পৰ্যায়ৰ মৰ্যাদাৰ কৰিছে। লিংগ বৈষম্যৰ বাবে তেওঁলোকৰ নিম্ন মৰ্যাদা। স্বীধীনতাৰ পিছৰে পৰা চৰকাৰে বহু উন্নয়নমূলক কৰ্মৰ উদ্যোগ ল'ৰা-মহিলাৰ বৈষম্যতা গাঁও আৰু অৱহেলিত সমাজৰ মাজত লোৱা এতিয়াও পোৱা যায়। কেৱল মাত্ৰ আন্তঃগাঁথনি আৰু কল্যাণমূলক আঁচনি আদিৰ জৰিয়তে বাস্তৱ পৰিস্থিতিৰ পৰিবৰ্তন সম্ভৱ নহয় বুলি অনুভৱ কৰা হৈছে। একমাত্ৰ বিকল্প হৈছে মহিলাৰ সবলীকৰণ যিয়ে তেওঁলোকৰ নিজৰ উন্নয়নৰ কাৰণে শুদ্ধ পথ বাচনি আৰু ধনাত্মক ভূমিকা লোৱাত সহায় কৰিব। এই পৰ্যায়ত শিক্ষককে মূল উৎস হিচাপে দেখা গৈছে যিয়ে বৈষম্যতা আৰু দমন নীতিৰ বিৰুদ্ধে প্ৰত্যাহ্বান জনাবলৈ ক্ষমতা প্ৰদান কৰিব।

## 12.2.5. আনুষ্ঠানিক আৰু অনানুষ্ঠানিক শিক্ষাৰ জৰিয়তে সৱলীকৰণ

আমি শিকি আহিছো যে মহিলাৰ মৰ্যাদা পৰিবৰ্তনৰ ক্ষেত্ৰত শিক্ষা হ'ল এক আহিলা। আমি এতিয়া চাও আহক কেনেকৈ আনুষ্ঠানিক আৰু অনানুষ্ঠানিক শিক্ষাৰ গাঁথনিটোৱে কল্যাণশিশুৰ শিক্ষাত প্ৰভাৱ পেলায়। বিদ্যালয়, কলেজ আৰু শিক্ষানুষ্ঠানৰ লগত আনুষ্ঠানিক শিক্ষা জড়িত। 6-14 বছৰ বয়সৰ ল'ৰা-ছোৱালীৰ মুক্ত আৰু বাধ্যতামূলক শিক্ষাৰ সাংবিধানিক সুবিধা থকা সত্ত্বেও এতিয়াও ল'ৰাৰ তুলনাত এক বুজন পৰিমাণৰ ছোৱালী বিদ্যালয়ৰ শিক্ষাৰ সুবিধাৰ বাহিৰত আছে। তেওঁলোক দুই ধৰণৰ — (1) কিছুমানে কেতিয়াও বিদ্যালয়লৈ যোৱাই নাই আৰু (2) কিছুমানে বিদ্যালয় আধাতে এৰিছে। আনুষ্ঠানিক শিক্ষাৰ শৈক্ষিক গাঁথনি, পাঠ্যক্ৰমৰ মানদণ্ড, পূৰ্ণকালীন বিদ্যালয় বহুতো গাঁৱৰ দুখীয়া আৰু অসুবিধা থকা ছোৱালীৰ কাৰণে সুচল নহয়। তাৰোপৰি পিতৃ-মাতৃৰ পুৰণিকলীয়া মনোভাব আৰু আৰ্থ-সামাজিক কাৰকসমূহে ইয়াত প্ৰভাৱ পেলায়। ছোৱালীসকলে, বিশেষকৈ গাঁও অঞ্চলত টকা-পইচা পোৱা বা নোপোৱা কাম কৰি পৰিয়ালক সহায় কৰিব লাগে। আন অসুবিধাবোৰ হ'ল— খোৱা পানী সংগ্ৰহ, গৰু-ছাগলী পালন, জুই জ্বলাবলৈ খৰি সংগ্ৰহ, ভাই-ভনীৰ যত্ন লোৱা আদি। গাঁও অঞ্চলত আগ বয়সত হোৱা বিবাহো এটা কাৰণ। এয়েহে আনুষ্ঠানিক শিক্ষাই ঢুকি নোপোৱা ছোৱালীৰ শিক্ষা পোৱাত সহায় কৰিব পৰা নাই।

## কন্যা শিশুৰ সৱলীকৰণ কৰা ঃ

অনানুষ্ঠানিক শিক্ষাৰ (NFE) ধাৰণাটো যাঠিৰ দশকৰ পিছত আৰু সত্তৰৰ দশকৰ আগভাগত আহিছিল। শিক্ষাত পিছপৰা ৰাজ্যবোৰত বিদ্যালয়ত বাহিৰত থকা শিশুৰ শিক্ষাদানৰ বাবে অনানুষ্ঠানিক শিক্ষা কেন্দ্ৰ চৰকাৰে মুকলি কৰিছিল। এই শিক্ষাকেন্দ্ৰবোৰ আনুষ্ঠানিক শিক্ষাৰ বিকল্প কেন্দ্ৰ হিচাপে গঢ় লৈ উঠিছিল আৰু প্ৰাথমিক শিক্ষাক

টোকা

সাৰ্বজনীন কৰাৰ লক্ষ্যত উপনীত কৰাত সহায় কৰিছিল। অনানুষ্ঠানিক শিক্ষা নমনীয়, শিক্ষাৰ্থী কেন্দ্ৰিক আৰু অংশীদাৰী শিক্ষা পদ্ধতি কম তত্বমূলক কিন্তু বেছি প্ৰয়োগিক। এই শিক্ষা পদ্ধতি কম খৰচী কিয়নো সাধাৰণ সুবিধাৰে এই পদ্ধতিত শিক্ষা আহৰণ কৰিব পাৰি। কোনো নিৰ্দিষ্ট বয়স বা সময় নথকা বাবে ছোৱালী শিশুৱে যিকোনো সময়ত এই পদ্ধতিৰে শিক্ষা গ্ৰহণ কৰিব পাৰে। এই শিক্ষা পদ্ধতিত শিশুৰ সুবিধা অনুযায়ীহে শ্ৰেণীবোৰ লোৱা হয়। পাঠ্যক্ৰম প্ৰয়োজনভিত্তিক হয় আৰু জীৱন কৌশল শিক্ষা সম্পৰ্কীয় হয়। স্থানীয়ভাৱে পোৱা অৰ্হতা সম্পন্ন শিক্ষকৰ জৰিয়তে অনানুষ্ঠানিক শিক্ষা প্ৰদান কৰিব পাৰি।

এন জি অ'ৰ জৰিয়তেও অনানুষ্ঠানিক শিক্ষা ব্যৱস্থা কাৰ্যকৰী কৰা হৈছে। আনুষ্ঠানিক আৰু অনানুষ্ঠানিক শিক্ষা দুয়োটাৰে উদ্দেশ্য পৰিপূৰক। জীৱন প্ৰণালীৰ গুণগত দিশ বৃদ্ধি কৰাই দুয়োধৰণৰ শিক্ষা পদ্ধতিৰ লক্ষ্য। উভয়ে ছোৱালীৰ শিশুৰ শিক্ষা জৰিয়তে তেওঁলোকৰ গুণ, দৃষ্টিভংগী আৰু জীৱন কৌশল বিকাশ কৰিবলৈ প্ৰয়াস কৰিছে।

**অগ্ৰগতিৰ খতিয়ান - 1**

1. 'ক' অংশৰ লগত 'খ' অংশ মিলাওক

| | |
|---|---|
| ● অত্যাধিক ক্ষমতা | ● মহিলা মণ্ডল |
| ● ক্ষমতাৰ সৈতে | ● আত্ম বিশ্বাস |
| ● ক্ষমতাৰ ভিতৰত | ● পচন্দৰ স্বাধীনতা দিয়ে |
| ● ক্ষমতা | ● দুৰ্বলৰ ওপৰত প্ৰাধান্য |
| ● সৱলীকৰণ | ● আৰ্থিক সুবিধা দিয়ে |
| ● ক্ষমতাৰ পুনঃ বিতৰণ | ● মহিলাৰ নিম্ন মানদণ্ড |
| ● ভাৰসাম্যহীন ক্ষমতা | ● সজাগতা আনে |

2. ৰাম আৰু ৰাধাবাইৰ সামৰ্থতাৰ তালিকা প্ৰস্তুত কৰক। কোনজন বেছি সৱল বিশ্লেষণ কৰক।

3. তলৰ উক্তিবোৰৰ কাৰণ দিয়ক। ছোৱালী শিশুক সৱলীকৰণ কৰা উচিত কিয়নো

(ক) সৱলীকৰণে তেওঁলোকক সামৰ্থতা বৃদ্ধি কৰে

(খ) নিয়োগৰ সুবিধা আনি দিয়ে।

(গ)

(ঘ)

⇨ ঘ

(ঙ)

(চ)

(ছ)



টোকা

4. ছোৱালী শিক্ষাৰ ক্ষেত্ৰত আপোনাৰ অঞ্চলত দেখা পোৱা অসুবিধা বা সমস্যাৰ তালিকা প্ৰস্তুত কৰক।

## 12.3. কন্যা শিশুক সৱলীকৰণৰ বাবে প্ৰক্ৰিয়া ঃ

ভাৰতৰ সংবিধানে কন্যা শিশুৰ শিক্ষকৰ ক্ষেত্ৰত যথেষ্ট সুবিধা প্ৰদান কৰিছে। যেনে—

- অনুচ্ছেদ 45এ ৰাজ্যবোৰক শিক্ষাৰ ক্ষেত্ৰত ল'ব লগা দায়িত্বৰ বিষয়ে কৈছে। 10 বছৰৰ ভিতৰত 14 বছৰ বয়সলৈ সকলো শিশুক বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্ৰদান কৰাতো প্ৰতিখন ৰাজ্যৰ কৰ্তব্য।
- অনুচ্ছেদ 15এ লিংগভিত্তিক সম্পত্তিৰ ক্ষেত্ৰত বৈষম্যতা ৰোধ কৰিছে। আৰু
- অনুচ্ছেদ 15(3) এ মহিলা আৰু কন্যা শিশুৰ কল্যাণৰ বাবে বিশেষ সুবিধা প্ৰদান কৰাৰ বাবে ৰাজ্যসমূহক নিৰ্দেশনা দিছে।
- ভাৰতবৰ্ষই 1980 চনত আন্তৰ্জাতিক চুক্তি CEDAW স্বাক্ষৰ কৰিছে য'ত মহিলাৰ বিপৰীত যিকোনো বৈষম্যতা দূৰ কৰাৰ কথা উল্লেখ আছে। এই ক্ষেত্ৰত চৰকাৰে যিকোনো আইন প্ৰয়োগ কৰি লিংগ বৈষম্যতা দূৰ কৰাত সুবিধা প্ৰদান কৰিছে। শিক্ষাৰ ক্ষেত্ৰত কন্যা শিশুক সম সুবিধা প্ৰদান কৰাতো পোষকতা কৰিছে।
- ভাৰতীয় সাংসদে শিক্ষাৰ অধিকাৰ আইন, 2009 পাছ কৰিছে আৰু ইয়াৰ জৰিয়তে 6-14 বছৰলৈ সকলো ধৰণৰ শিশুক বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্ৰদান কৰা সুবিধা প্ৰদান কৰা হৈছে। এই আইনখনত শিক্ষকৰ অভিভাৱকৰ ৰাইজৰ আৰু চৰকাৰৰ ভূমিকা সম্পৰ্কে ব্যাখ্যা কৰা হৈছে।

## 12.3.2 চৰকাৰী নীতি আৰু ইয়াৰ প্ৰয়োগ

স্বাধীনতাৰ পিছত ভাৰত চৰকাৰে শিক্ষা ব্যৱস্থা পুনৰীক্ষণ কৰি ভাল কৰাৰ বাবে কেইবাখনো কমিতি আৰু আয়োগ গঠন কৰিছে। এওঁলোকৰ পৰামৰ্শ অনুযায়ী কন্যা শিশুৰ ক্ষেত্ৰত বিভিন্ন সুবিধা যেনে— বিনামূলীয়া শিক্ষা, বিনামূলীয়া শিকন সামগ্ৰী, বৃত্তি, হোষ্টেলৰ সুবিধা, যাতায়াত সুবিধা, মহিলা শিক্ষয়িত্ৰী নিয়োগ, লিংগ বিষয়ক পাঠ্যক্ৰম আদি কাৰ্যসূচী চৰকাৰে গ্ৰহণ কৰিছে। এই ক্ষেত্ৰত চৰকাৰে দুটা প্ৰধান নীতি গ্ৰহণ কৰিছে। ৰাষ্ট্ৰীয় শিক্ষা নীতি আৰু ৰাষ্ট্ৰীয় মহিলা সৱলীকৰণ নীতি।

**ৰাষ্ট্ৰীয় শিক্ষা নীতি ঃ** 1986 চনত ভাৰত চৰকাৰে ৰাষ্ট্ৰীয় শিক্ষা নীতি গ্ৰহণ কৰিছে আৰু কৰ্ম আঁচনি, 1992ৰ জৰিয়তে ইয়াৰ পুনৰীক্ষণ কৰিছে। ইয়াৰ জৰিয়তে পৰম্পৰাগতভাৱে চলি অহা মহিলা আৰু পুৰুষৰ মাজত বা কন্যা শিশু আৰু ল'ৰা শিশুৰ মাজত শিক্ষাক বৈষম্যতা দূৰ কৰাৰ ব্যৱস্থা কৰিছে। শিক্ষাক মহিলাৰ মানদণ্ড উন্নত কৰাৰ মাধ্যম হিচাপে ইয়াত বৰ্ণনা কৰিছে। শিক্ষাই চিন্তন কৌশল আৰু স্ব-দক্ষতা বৃদ্ধি কৰে যাৰ জৰিয়তে শিশুৱে জীৱন কৌশল আহৰণ কৰি ভালকৈ জীৱন নিৰ্বাহ কৰি



টোকা

সমাজৰ উন্নতি সাধন কৰিব পৰা হয়। এইদৰে মহিলা সাক্ষৰতা বৃদ্ধি কৰি আৰু শিক্ষা আহৰণৰ বাধা দূৰ কৰি, প্ৰাথমিক শিক্ষা সবল কৰাৰ বাবে বিশেষ সহায়ক সেৱা আৰু নিৰীক্ষণৰ ব্যৱস্থা ৰখা হৈছে।

**ৰাষ্ট্ৰীয় মহিলা সৱলীকৰণ নীতি ঃ** 2001 চনত ভাৰত চৰকাৰে এই নীতি আহৰণ কৰিছিল আৰু মহিলাৰ শিক্ষা কিছুমান দিশ বাচি লৈছিল যেনে সম সুবিধা, বৈষম্যতা দূৰ কৰাৰ বাবে বিশেষ প্ৰচেষ্টা, শিক্ষাৰ সাৰ্বজনীন কৰণ, লিংগ সচেতন পাঠ্যক্ৰম, শিক্ষাত লিংগ বৈষম্য দূৰীকৰণ আদি।

এই নীতিৰ আধাৰণত চৰকাৰে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিছিল যেনে - ৰাষ্ট্ৰীয় সাক্ষৰতা মিছন, শ্ৰমিক বিদ্যাৰ্থীৰ বিশ্ববিদ্যালয়ত মহিলাৰ অধ্যয়ন বৃদ্ধিকৰণ, মহিলা সমক্ষা আঁচনি, আৰু মিডিয়াৰ জৰিয়তে মহিলাৰ অবিৰত শিক্ষা গ্ৰহণ আদি।

## 12.3.3. গাঁৱৰ ছোৱালীৰ বাবে আঁচনি ঃ

আমি জানো যে গাঁৱত লিংগ বৈষম্য অধিক। গাঁৱত কন্যা শিশুৰ মানদণ্ড কৰণ আৰু শিক্ষা গ্ৰহণ ত্বৰান্বিত কৰিবলৈ চৰকাৰে কিছুমান ফলপ্ৰসূ কাৰ্যসূচী গ্ৰহণ কৰিছে। তাৰে কিছুমান হ'ল—

**প্ৰাথমিক পৰ্যায়ত ৰাষ্ট্ৰীয় কন্যা শিশু শিক্ষা আঁচনি ঃ**

গাঁৱৰ একেবাৰে ঢুকি নোপোৱা ছোৱালীজনীৰো শিক্ষা সুনিশ্চিত কৰিবলৈ এই আঁচনি গ্ৰহণ কৰা হৈছে। এইখন সৰ্বশিক্ষা অভিযান মিছনৰ অধীনৰ আঁচনি আৰু যিবোৰ শিক্ষাখণ্ডত মহিলা সাক্ষৰতাৰ হাৰ আৰু লিংগ বৈষম্য ৰাষ্ট্ৰীয় পৰ্যায়তকৈ কম তেনে ব্লকসমূহক এই আঁচনিৰ অধীন কৰি লৈছে। 24 খন ৰাজ্যৰ 3272 শিক্ষা ক্ষেত্ৰত এই আঁচনি কাৰ্যকৰী কৰা হৈছে। এই আঁচনিখনৰ লক্ষ্য হ'ল কন্যা শিশুক বিদ্যালয়ত নিয়মীয়াকৈ ৰখা আৰু গুণগত শিক্ষা প্ৰদান কৰা। একোটা শিক্ষাখণ্ডৰ প্ৰতিটো মণ্ডল সমল কেন্দ্ৰত একোখন আদৰ্শ বিদ্যালয় স্থাপন কৰাৰ ব্যৱস্থা কৰা হৈছে য'ত তলত দিয়া সুবিধাসমূহ আছে—

- কন্যা শিশুৰ নামভৰ্তিকৰণত নিৰীক্ষণ।
- সম্প্ৰদায় সক্ৰিয়কৰণ।
- শিক্ষকৰ লিংগ সচেতনতা বৃদ্ধিকৰণ।
- লিংগ সচেতনতা বৃদ্ধিকৰক শিক্ষণ সামগ্ৰী।
- অতিৰিক্ত শ্ৰেণীকোঠা।
- কমকৈ শিক্ষা কন্যা শিশুক নিদানমূলক শিক্ষা।
- ছোৱালীৰ বাবে বৃত্তিমূলক শিক্ষা।
- সমাজ জড়িতকৰণৰ SMDC, PTA আৰু MTAমাহিলি সভা।



টোকা

**কস্তুৰবা গান্ধী বালিকা বিদ্যালয় ঃ**

প্ৰাথমিক পৰ্যায়ত লিংগ বৈষম্য দূৰ কৰাৰ বাবে এইটো এটা চৰকাৰী প্ৰক্ৰিয়া। সৰ্বশিক্ষা অভিযান মিছনৰ অধীনত যিবোৰ শিক্ষাখণ্ডত মহিলাৰ সাক্ষৰতাৰ হাৰ ৰাষ্ট্ৰীয় হাৰতকৈ কম আৰু লিংগ বৈষম্যৰ হাৰ ৰাষ্ট্ৰীয় হাৰতকৈ বেছি তেনেবোৰ শিক্ষাখণ্ডত এই আঁচনি 2004 চনৰ পৰা কাৰ্যকৰী কৰা হৈছে। এইটো এটা আৱাসিক প্ৰতিষ্ঠান আৰু ইয়াত অনুসূচিত জাতি/অনুসূচিত জনজাতি আৰু সংখ্যালঘু লোকৰ 100 জনী কন্যা শিশুক শিক্ষিত কৰাৰ ব্যৱস্থা আছে। এই বিদ্যালয়ৰ বিশেষ বৈশিষ্ট্যবোৰ হ'ল—

- পাহাৰীয়া অঞ্চলৰ পাতল জনবসিতৰ পৰা অহা কন্যা শিশুক বিশেষ সুবিধা দিয়া হয়।
- গ্ৰাম্যঞ্চলৰ বিদ্যালয়লৈ নোযোৱা কন্যা শিশুক শিক্ষা দিয়াৰ ব্যৱস্থা কৰা হয়।
- সংক্ষিপ্ত পাঠ্যক্ৰমৰ জৰিয়তে বিদ্যালয় ত্যাগ কৰা কন্যা শিশুক আগৰ শ্ৰেণীলৈ আগবঢ়াই নিয়া হয়।
- ঘৰুৱা কৰ্ম আৰু কেঁচুৱা ৰখা কাৰ্যৰ পৰা কন্যা শিশুক ৰেহাই দিয়া হয়।
- শিকনৰ বাবে সুস্থ পৰিৱেশত আৱাসিক সুবিধা প্ৰদান কৰা হয়।
- কমকৈ শিকা শিক্ষাৰ্থী আৰু ৰেপিটাৰ্চসকলৰ বাবে অতিৰিক্ত পাঠদান কৰা হয়।
- জীৱন কৌশল আয়ত্তকৰণৰ প্ৰক্ৰিয়া দিয়া হয়।
- ছোৱালীৰ সুবিধা হোৱাকৈ আন্তঃগাঁথনি নিৰ্মাণ কৰা হয়।

**মহিলা সমক্ষা ঃ**

ৰাষ্ট্ৰীয় শিক্ষানীতি 1986 হ'ল মহিলা সৱলীকৰণৰ বাবে এক দস্তাবেজ। মহিলাৰ বিভিন্ন অসুবিধা আঁতৰাই মহিলাক স্বাক্ষৰ কৰাৰ বিভিন্ন সুবিধা ইয়াত সন্নিবিষ্ট আছে। চৰকাৰে কন্যা শিশুৰ শিক্ষাৰ বাবে বিশেষ আঁচনি গ্ৰহণ কৰি তেওঁলোকক আগুৱাই নিছে। কৰ্ম আঁচনি, 1992ৰ মূল বিষয়বস্তুৱেই হ'ল মহিলাৰ সৱলীকৰণ যিটো লিংগ সমানতাৰ বাবে অতি প্ৰয়োজন। এই মহিলা সক্ষম আঁচনি ৰূপায়ণৰ বাবে 1989 চনত ভাৰতবৰ্ষত তিনিখন ৰাজ্যৰ (গুজৰাট, কৰ্ণাটক, উত্তৰ প্ৰদেশ) 10 খন জিলাত পাইলট প্ৰকল্প হিচাপে কাম আৰম্ভ কৰিছিল। এতিয়া এই আঁচনি সাতখন ৰাজ্যৰ মুঠ 21707 খন গাঁৱত ৰূপায়ণ হৈ আছে। এই আঁচনিখনৰ লগত অন্য শিক্ষামূলক আঁচনি যেনে — জিলা প্ৰাথমিক শিক্ষা আঁচনি, সৰ্বশিক্ষা অভিযানৰ সম্পৰ্ক আছে।

মহিলা সক্ষম আঁচনিয়ে বিশ্বাস কৰে যে শিক্ষাই মহিলাক সৱলীকৰণ কৰে যাৰ ফলত লিংগ সমানতা বৃদ্ধি পায়। নমনীয় আৰু উদ্ভাৱনীমূলক কাৰ্যৰে এই আঁচনিৰ প্ৰয়োগ হৈছে। শিক্ষাৰ ধাৰণাই অকল ভাষা শিকাৰ কৌশলকে সাঙুৰি নলয় আনকি প্ৰশ্ন কৰিবলৈ শিকা, বিভিন্ন দিশৰ চিন্তনীয় বিশ্লেষণ, সমস্যা আৰু ইয়াৰ সমাধান আদি বিষয়ে শিক্ষাৰ ধাৰণাৰ অন্তৰ্গত। মহিলা সক্ষম আঁচনিয়ে এনে পৰিৱেশ সৃষ্টি কৰিব বিচাৰে য'ত মহিলাই মুক্তভাৱে নিজস্ব চিন্তাৰে সমস্যাৰ সমাধানৰ যোগেদি নিজক সৱলীকৰণ কৰাৰ সুবিধা এই আঁচনিখনত আছে। এই ক্ষেত্ৰত মহিলা সক্ষম আঁচনিৰ জৰিয়তে সংঘৰ মহিলাসকলক



টোকা

প্ৰশিক্ষণ দিয়াৰ আৰু সমল ব্যক্তিক সহায়ৰ ব্যৱস্থা আছে আৰু প্ৰশিক্ষিত মহিলাৰ দ্বাৰা খণ্ড আৰু জিলা পৰ্যায়ত এই আঁচনি আগবঢ়াই নিয়াৰ ব্যৱস্থা আছে। তেওঁলোকে শিক্ষামূলক আৰু বিকাশমূলক সকলো কাৰ্যসূচীত অংশগ্ৰহণ কৰি নিজৰ শিশুসকলক আগবঢ়াই নিবৰ বাবে সক্ষম হৈছে।

বয়স সন্ধিৰ কন্যা শিশুৰ সৈতে মহিলা সক্ষমা কাৰ্যসূচী ৰূপায়ণৰ লগে লগে মহিলাসকলে অনানুষ্ঠানিক শিক্ষা কেন্দ্ৰটো শিক্ষাদান কৰিবলৈ সক্ষম হৈছে। NPEGL আৰু KGBVয়েও এই ক্ষেত্ৰত যথেষ্ট সহায়ৰ হাত আগবঢ়াইছে।

মহিলা সক্ষমা কাৰ্যসূচীয়ে বিশেষভাৱে তলত দিয়া দিশবোৰ স্পৰ্শ কৰিছে।

- মহিলাসকলক শিশুক, বিশেষকৈ কন্যা শিশুক শিক্ষাৰ সুবিধা প্ৰদান কৰা।
- তেওঁলোকৰ বাবে ভাষা আৰু গণনা সম্পৰ্কীয় শিক্ষা নিশ্চিত কৰা।
- সামাজিক নেতিবাচক দিশ যেনে - মহিলাৰ প্ৰতি হিংসা, যৌতুক ব্যৱস্থা, দেৱদাসী আদি হ্ৰাস কৰা।
- ৰাজনীতিকভাৱে সচেতন হোৱা।
- স্বাস্থ্য আৰু পুষ্টিৰ প্ৰতি নিয়ন্ত্ৰণ ৰখা।
- সম্পদৰ আহৰণ প্ৰয়োগ আৰু নিয়ন্ত্ৰণ।
- পৌৰ জ্ঞান ত্বৰান্বিত কৰা।

এই সামাজিক দিশবোৰৰ ওপৰত কাৰ্য ব্যৱস্থা লোৱাৰ বাবে কন্যা শিশু আৰু তাৰ মহিলা শিক্ষাৰ প্ৰতি মাজত একাগ্ৰতা বৃদ্ধি পাইছে।

**অগ্ৰগতিৰ খতিয়ান - 2**

1. তলত দিয়া চাৰিটা উত্তৰৰ সঠিক উত্তৰটো বাচি বাক্যটো পূৰ্ণ কৰক।

(i) ...... অনুসৰি ভাৰত চৰকাৰে শিক্ষাত লিংগ বৈষম্য দূৰ কৰাৰ বাবে বাধ্য হৈছে।

(a) অনুচ্ছেদ 45 (b) CEDAW

(c) শিক্ষাৰ আধিক্যৰ আইন (d) অনুচ্ছেদ 15 (3)

(ii) ...... ...... ৰ শিশুক শিক্ষাৰ অধিক্যৰ আইন অনুসৰি বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰা হৈছে।

(a) 8-14 বছৰ (b) 6-18 বছৰ

(c) 6-14 বছৰ (d) 6-12 বছৰ

(iii) অনুচ্ছেদ 45 অনুসৰি শিক্ষা সম্পৰ্কীয় দায়িত্ব........ৰ ওপৰত ন্যস্ত কৰিছে।

(a) ৰাজ্য (b) সম্প্ৰদায়

(c) শিক্ষক (d) পিতৃ-মাতৃ



টোকা

2. চৰকাৰৰ কি নীতি অনুসৰি কন্যা শিশুৰ শিক্ষাত অধিক গুৰুত্ব দিছে আৰু এই শিক্ষাৰ সাধাৰণ বৈশিষ্ট্যসমূহ উল্লেখ কৰিছে?

3. তলৰ প্ৰশ্নৰ উত্তৰ দিয়ক-

(i) কন্যা শিশুৰ শিক্ষাৰ বাবে কোন দায়ী?

(a) পিতৃ-মাতৃ (b) সম্প্ৰদায়

(c) ৰাজ্য (d) ওপৰৰ এটাও নহয়

(ii) কন্যা শিশুক ঢুকি পোৱা কঠিন (Hard to reach girls) কোনটো আঁচনিৰ লগত জড়িত?

(a) মোৰাজী দেশাই বিদ্যালয়(b) NGBY

(c) NPEGEL (d) মহিলা সমক্ষা

(iii) ...... এ আদৰ্শ মণ্ডল বিদ্যালয়ক সহায় কৰি আছে।

(a) KGBY (b) MS

(c) NPEGEL (d) মহিলা সমক্ষা কেন্দ্ৰ

(iv) SC/ST আৰু সংখ্যালঘু কন্যা শিশুৰ বাবে আৱাসিক বিদ্যালয় হ'ল—

(a) KGBY (b) নৱোদয় বিদ্যালয়

(c) NPEGEL (d) এটাও নহয়।

(v) সমতাৰ বাবে শিক্ষা তলৰ কোনখন আঁচনিৰ লগত জড়িত

(a) KGBY (b) MS

(c) NPEGEL (d) DPEP

## 12.4 জীৱন কৌশলৰ বিকাশ ঃ

কন্যা সৰলীকৰণৰ বাবে সাধাৰণ শিক্ষাৰ লগত কিছুমান কৌশল আয়ত্ব কৰা প্ৰয়োজন। শিক্ষকে শিশুক বিশেষকৈ কন্যা শিশুক এই কৌশল সমূহ আয়ত্ব কৰাবলৈ নিজেই এই সম্পৰ্কে আগতীয়াকৈ জনা দৰকাৰ। জীৱন কৌশল শিক্ষাই জীৱন সম্পৰ্কীয় বিভিন্ন ক্ৰিয়াকলাপ সামৰি লয় যিয়ে সমাজত সজাগতা, সতেজতা, সক্ৰিয়তা আৰু সৰলতা আনে। এই জীৱন কৌশলে শিশুক জীৱনৰ কঠিন পৰিস্থিতিৰ মুখামুখি হৈ কিদৰে কৃতকাৰ্য হ'ব পাৰি তাক শিকাই আৰু যিকোনো পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ শিকায়। জীৱন কৌশল প্ৰশিক্ষণে বৃত্তিমূলক প্ৰশিক্ষণতো সামৰি লয়। বহুতো ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় সংগঠনসমূহে ছোৱালীক জীৱন কৌশল আয়ত্বকৰণৰ ওপৰত কাৰ্যসূচী অব্যাহত ৰাখিছে। জীৱনৰ যিকোনো পৰিস্থিতিৰ মুখামুখি হৈ নিজকে অভিযোজিত কৰি আৰু সম্ভৱ হোৱা সমস্যাৰ সমাধান কৰি জীৱনটো সুন্দৰ কৰাৰ বাবে জীৱন কৌশলৰ প্ৰয়োজন হয়। জীৱন কৌশলৰ বিকাশৰ বাবে 10টা মুখ্য দিশ বাচি লোৱা হৈছে। যেনে-

- সমস্যা সমাধান।
- যুক্তিপূৰ্ণ চিন্তা।



টোকা

- ফলপ্ৰসূ যোগাযোগ কৌশল।
- সিদ্ধান্ত গ্ৰহণ।
- সৃজনীমূলক চিন্তা।
- আন্তঃসম্পৰ্ক স্থাপন কৌশল।
- স্ব-সজাগতা বৃদ্ধিৰ কৌশল।
- সহঃমৰ্মিতা।
- হতাশা আৰু আবেগ নিয়ন্ত্ৰণ।

এইটো আশা কৰা যায় যে ছোৱালীবোৰে পৰিৱেশৰ পৰা সৰ্বাধিক সুবিধা লৈ বিকল্প ব্যৱস্থা গ্ৰহণ কৰি উক্ত দিশসমূহ আয়ত্ত কৰিব পাৰে।

**অগ্ৰগতিৰ খতিয়ান - 3**

1. সঁচা নে মিছা লিখক

কন্যা শিশুক জীৱন কৌশল শিক্ষা প্ৰয়োজন কিয়নো —

(a) তেওঁলোকৰ সক্ৰিয়তা বঢ়ায়।

(b) টকা আৰু সন্মান দিয়ে।

(c) যোগাযোগ কৌশল বৃদ্ধি কৰে।

(d) শিক্ষিত স্বামী লাভ কৰাত সহজ হয়।

(e) তেওঁলোকক সৰলীকৰণ কৰে।

(f) তেওঁলোকৰ বিশ্লেষণ সমতা বৃদ্ধি কৰে।

(g) সিদ্ধান্ত গ্ৰহণৰ ক্ষমতা বৃদ্ধি কৰে।

## 12.4 মহিলা আৰু কন্যা শিশুক সৰলীকৰণ কৰাৰ বাবে এজেন্সিসমূহৰ ভূমিকা

### 12.4.1. চৰকাৰৰ ভূমিকা ঃ

কন্যা শিশুৰ শিক্ষা চৰকাৰৰ এক অন্যতম প্ৰাধান্য দিয়া কাৰ্যসূচী। এতিয়া প্ৰাথমিক শিক্ষা আহৰণ কৰাটো যিহেতু মৌলিক অধিকাৰ হিচাপে পৰিগণিত হৈছে সেই হেতুকে চৰকাৰে 6-14 বছৰৰ সকলো শিশুৰ শিক্ষা বিনামূলীয়া আৰু বাধ্যতামূলক কৰিছে।

শিক্ষা হ'ল সমাজ পৰিবৰ্তনৰ বাহক। কন্যা শিশুৰ শিক্ষাই তেওঁলোকৰ জীৱনলৈ পৰিৱৰ্তন আনিছে আৰু সমাজত সমানতা বিৰাজ কৰাৰ পথ সূচল কৰিছে। এইদৰে চৰকাৰে লিংগ বৈষম্য দূৰ কৰি প্ৰতিগৰাকী ল'ৰা-ছোৱালীলৈ সমসুবিধা প্ৰদান কৰাৰ ব্যৱস্থা কৰিছে। এই ক্ষেত্ৰত চৰকাৰে তলত উল্লেখ কৰা কাৰ্যব্যৱস্থাসমূহ গ্ৰহণ কৰিছে।

(1) কন্যা শিশুৰ শিক্ষাৰ ক্ষেত্ৰত আৰ্থিক সহায়



টোকা

(2) ল'ৰা-ছোৱালী উভয়কে নাম ভৰ্তিকৰণ আৰু বিদ্যালয়ত পঢ়াৰ ক্ষেত্ৰত উচিত পদক্ষেপ গ্ৰহণ।

(3) শিক্ষা বিভাগৰ সকলো পদবীধাৰী, এন জি অ', মহিলা সংগঠন আদিক কন্যা শিশুৰ কাৰ্যসূচীৰ আঁচনি গ্ৰহণ, ৰূপায়ণ, মূল্যায়ন আৰু লিংগ বিষয়ক পাঠ্যক্ৰম প্ৰস্তুত কৰাৰ বাবে জড়িতকৰণ কৰা হৈছে।

(4) শিক্ষাৰ বাবে বিনামূলীয়া পাঠ্যপুথি বিতৰণ, বৃত্তি বা অন্য সুবিধাসমূহ যেনে - ছোৱালীৰ বাবে হোষ্টেল, যাতায়াত ব্যৱস্থা, শিশু যত্ন লোৱা কেন্দ্ৰ আদিৰ ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰিছে।

(5) শিক্ষানুষ্ঠানত 50 শতাংশ মহিলা শিক্ষয়িত্ৰী নিয়োগ।

(6) শিক্ষক, শিক্ষাবিদ আৰু আঁচনি প্ৰস্তুত কৰ্তাক লিংগ সম্পৰ্কীয় শিক্ষাৰ সচতনতা অনাৰ বাবে ব্যৱস্থা কৰিছে।

(7) উদ্ভাৱনীমূলক আঁচনিৰ বিকাশ সাধন।

(8) নিয়মিতভাৱে আঁচনিসমূহৰ ৰূপায়ণ প্ৰতিপুষ্টি গ্ৰহণ পৰৱৰ্তী ব্যৱস্থা গ্ৰহণ।

## 12.4.2 অনা চৰকাৰী সংগঠনৰ (এন জি অ')ৰ ভূমিকা ঃ

সকলোৰে প্ৰতি শিক্ষা আহৰণ কৰাবলৈ এন জি অ'বোৰৰ দায়িত্ব নহয় যদিও এওঁলোকে চৰকাৰৰ লগত কাৰ্যসূচী ৰূপায়ণৰ বাবে সক্ৰিয়ভাৱে সহায়ৰ হাত আগবঢ়াব পাৰে। যিহেতু এন জি অ'বোৰৰ সম্প্ৰদায়ৰ লগত প্ৰত্যক্ষ যোগাযোগ থাকে সেয়ে এওঁলোকে কন্যা শিশুৰ শিক্ষাৰ ক্ষেত্ৰত সম্প্ৰদায়ৰ মাজত সজাগতাৰ সৃষ্টি কৰি চৰকাৰক আঁচনি ৰূপায়ণ কৰ্মত সহায় কৰিব পাৰে। এওঁলোকে কন্যা শিক্ষা আৰু সৱলীকৰণৰ বাবে বিভিন্ন ভূমিকা পালন কৰিব পাৰে। যেনে —

(1) সম্প্ৰদায়ৰ সজাগতা আৰু কন্যা শিশুৰ শিক্ষাৰ ক্ষেত্ৰত থকা জড়তা দূৰ কৰা।

(2) চৰকাৰী কাৰ্যসূচীত সহায় কৰা, লিংগ বৈষম্যৰ বিৰুদ্ধে সজাগতা অনুষ্ঠান কৰা, সম্প্ৰদায় সক্ৰিয়কৰণৰ বাবে তেওঁলোকক সহায় কৰা আৰু লিংগ সচেতনতামূলক পাঠ্যক্ৰম প্ৰস্তুত কৰাত সহায় কৰা।

(3) স্বাধীনভাৱে শিক্ষামূলক আঁচনি ৰূপায়ণ কৰা যেনে - বিকল্প বিদ্যালয়, অনানুষ্ঠানিক শিক্ষাকেন্দ্ৰ, সুবিধাৰ পৰা বঞ্চিত কন্যা শিশুৰ বাবে হোষ্টেল, প্ৰাপ্তবয়স্ক শিক্ষা কেন্দ্ৰ, উদ্ভাৱনীমূলক শিক্ষণ পদ্ধতি, শিশু যত্ন কেন্দ্ৰ সমূহলৈ সহায়ক সেৱা আগবঢ়োৱা, বয়সসন্ধিৰ ছোৱালীবোৰক জীৱন কৌশল শিক্ষা প্ৰদান কৰা আদি।

## 12.4.3 স্থানীয় নিকায়, সম্প্ৰদায়, বিদ্যালয় উন্নয়ন আৰু নিৰীক্ষণ সমিতিৰ ভূমিকা ঃ

স্থানীয় নিকায় যেনে- পঞ্চায়ত, পৌৰসভা/নিগম আদিৰ সকলোৰে বাবে শিক্ষা কৰাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। স্থানীয় নিকায়সমূহত সদস্যবোৰে কন্যা

টোকা

শিশুক শিক্ষা দিয়াৰ ক্ষেত্ৰত অবিৰত হিচাপে কাম কৰিব পাৰে। তেওঁলোকে সম্প্ৰদায় সক্ৰিয়কৰণ কৰাৰ বাবে শিক্ষকসকলক অভিৰুচিত কৰিব পাৰে। পিছপৰা আৰু দুৰ্বল শ্ৰেণীৰ শিশুক শিক্ষাৰ ক্ষেত্ৰত আগবঢ়াই নিয়াৰ ক্ষেত্ৰত স্থানীয় নিকায়সমূহৰ এক গুৰু দায়িত্ব আছে। স্থানীয় নিকায়সমূহে বিদ্যালয়ত কৰিব পৰা কাম যেনে— খোৱা পানীৰ সুব্যৱস্থাত শিশুসকলৰ খোৱাপানীৰ সমস্যা নোহোৱা কৰাৰ লগতে বিদ্যালয়ত তেওঁলোকৰ উপস্থিতিৰ হাৰো বৃদ্ধি কৰাত সহায় কৰে।

সম্প্ৰদায়ে বিদ্যালয়ৰ প্ৰতিটো কাৰ্যসূচীত অংশগ্ৰহণ কৰি বিদ্যালয়ৰ শিক্ষা বিশেষকৈ কন্যা শিশুৰ শিক্ষা ত্বৰান্বিত কৰিব পাৰে।

বিদ্যালয় উন্নয়ন আৰু নিৰীক্ষণ সমিতিয়ে বিদ্যালয়ৰ সকলো কাম নিৰীক্ষণ কৰাৰ উপৰি বিদ্যালয়ৰ সামগ্ৰিক উন্নয়নৰ বাবে আঁচনি গ্ৰহণ আৰু ইয়াৰ সঠিক ৰূপায়ণ কৰিব পাৰে। এই সমিতিয়ে বিদ্যালয়ত শিক্ষক অভিভাৱক আৰু মাতৃগোটৰ মাজৰ সংযোগকাৰী হিচাপে কাম কৰে। বিদ্যালয়ৰ আন্তঃগাঁথনিৰ উন্নয়ন আৰু স্থানীয় সম্পদৰ ব্যৱহাৰ এই সমিতিৰ এটা প্ৰধান কাৰ্য।

## 12.4.4. কন্যা শিশুৰ সৱলীকৰণৰ ক্ষেত্ৰত বিদ্যালয় আৰু শিক্ষকৰ ভূমিকা ঃ

সামাজিক প্ৰতিষ্ঠান হিচাপে বিদ্যালয় আৰু ইয়াৰ শিক্ষকসকলৰ লিংগ বৈষম্য দূৰ কৰি সকলোকে সম শিক্ষা প্ৰদান কৰাত এক গুৰুত্বপূৰ্ণ ভূমিকা থাকে। শিশুৰ মনত নতুন ধাৰণা চিন্তা আদি জাগ্ৰত কৰি তেওঁলোকক আগুৱাই নিয়া প্ৰয়োজন। তলত বিদ্যালয় আৰু শিক্ষকৰ কিছু ভূমিকা উল্লেখ কৰা হ'ল—

1. শিক্ষকে শ্ৰেণীকোঠাত তুলনামূলকভাৱে ল'ৰাক বেছি গুৰুত্ব দিয়া উচিত নহয়। সকলো বিষয়ৰ পাঠদানৰ সময়ত ল'ৰা-ছোৱালী উভয়কে সম গুৰুত্ব দি পাঠদান কৰি তেওঁলোকৰ সমস্যা সমাধান কৰিব লাগে।

   শিক্ষকে ল'ৰাক বেছি প্ৰশ্নসোধে আৰু তেওঁলোকক সুধিবলৈ আৰু উত্তৰ দিবলৈ উৎসাহ যোগায়। এই গণিত আৰু বিজ্ঞানৰ ক্ষেত্ৰতো দেখা যায়। এই লিংগ নিৰ্বাচনৰ মনোভাবটো শিশুৰ ব্যক্তিত্ব গঠনত প্ৰভাৱ পেলায়। ছোৱালী অংশগ্ৰহণত কম সুবিধা পায় আৰু ইয়ে সমাধানৰ ক্ষেত্ৰত প্ৰভাৱ পেলায়। সেয়েহে শিক্ষক, পিতৃৰ ক্ষেত্ৰত সংবেদনশীল হোৱা দৰকাৰ। তেওঁ ফলদায়ক হিচাপে পৰিস্থিতি চম্ভালিবলৈ প্ৰস্তুত হ'ব লাগিব। ল'ৰা-ছোৱালী উভয়কে সমান সুবিধা, মনোযোগ আৰু প্ৰশংসা কৰাতো নিশ্চিত কৰিব লাগে। সবলীকৰণৰ ক্ষেত্ৰত শিক্ষকে অগতানুগতিক ক্ৰিয়াকলাপ উৎসাহ যোগাব লাগে।

2. ছাত্ৰ-ছাত্ৰীৰ কাৰণে মহিলা শিক্ষকগৰাকী এক আৰ্হিৰ ভূমিকা পালন কৰে। সেয়েহে তেওঁৰ মনোবৃত্তি, কৰ্মক্ৰিয়া, আচৰণ পদ্ধতি আদিয়ে শিশুৰ বিশেষকৈ কন্যা শিশুৰ ব্যক্তিত্ব গঠনত সহায় কৰে।



টোকা

গাঁও অঞ্চলত মহিলা শিক্ষক আৰু কিমানসংখ্যক কন্যা শিশু নামভৰ্তি কৰিছে তাৰ মাজত সহ-সম্বন্ধ আছে। কিছুমান পিতৃ-মাতৃৰ সংৰক্ষণশীল মনোবৃত্তিয়ে তেওঁলোকৰ কন্যা শিশুক পুৰুষ শিক্ষাৰ পঢ়োৱাটো নিবিচাৰে। তেওঁলোকে মহিলা শিক্ষাৰ সৈতে সুৰক্ষিত অনুভৱ কৰে।

3. বিদ্যালয়ৰ ক্ৰিয়াকলাপত কন্যা শিশুৱে অংশগ্ৰহণত উৎসাহিত কৰাৰ ক্ষেত্ৰত শিক্ষকৰ ভূমিকা আছে। কন্যা শিশু অংশগ্ৰহণ সহায় কৰিবলৈ সেই ধৰণ পৰিৱেশ সৃষ্টিৰ অতি দৰকাৰী।

4. সমাজৰ লগত জড়িত ব্যক্তি হিচাপে শিক্ষকে পিতৃ-মাতৃৰ ৰক্ষণশীল মনোভাবৰ পৰিৱৰ্তন কৰিব পাৰে আৰু তেওঁলোকৰ ল'ৰা-ছোৱালীও বিদ্যালয়লৈ পঠিয়াবলৈ বুজাব পাৰে। তাৰোপৰি সমাজৰ পৰাও সমৰ্থন সংগঠিত কৰিব পাৰে।

**অগ্ৰগতিৰ খতিয়ান - 4**

1. আপোনাৰ অঞ্চলত কাম কৰি থকা বেচৰকাৰী অনুষ্ঠানৰ নাম উল্লেখ কৰক। সেই অনুষ্ঠানবোৰত কন্যা শিশুৰ ক্ষেত্ৰত আগবঢ়োৱা বৰঙণিৰ এটা টোকা লিখক।

2. শিক্ষক হিচাপে আপুনি তলৰ সমস্যাবোৰ সমাধা কৰিবলৈ ক'লৈ যাব? তলৰ পৰা শুদ্ধকৈ চিনি লওক—

(a) গাঁও পঞ্চায়ত (b) সমাজ

(c) শিক্ষা বিভাগ (d) এচ দি এম চি

(e) মহিলা আৰু শিক্ষা কল্যাণ বিভাগ (f) সমাজ কল্যাণ বিভাগ

(1) ছোৱালীসকলে নিয়মিতভাৱে নাপায় কাৰণ তেওঁলোকে ঘৰত সৰু ভায়েক ভনীয়েকৰ যত্ন ল'ব লাগে।

(2) শৌচাগাৰত সুবিধা নথকা বাবে ছোৱালীসকলে মধ্যাহ্ন/জিৰণী পিছত ঘৰলৈ যায়।

(3) ছোৱালীবোৰে ভালদৰে কৰ্ম সম্পাদন কৰিব নোৱাৰে।

(4) গ্ৰীষ্মকালত পানীৰ অভাৱ থাকে। ছোৱালীবোৰে খোৱা পানী সংগ্ৰহ কৰে। সেই কাৰণে তেওঁলোকৰ উপস্থিতি কম।

(5) ছোৱালীবোৰে শ্ৰমিকৰ কাম কৰে। সেই কাৰণে উপস্থিতি দুৰ্বল।

(3) কন্যা শিশুৰ সবলীকৰণৰ ক্ষেত্ৰত আপোনাৰ ভূমিকা কেনেধৰণে পালন কৰিব।

## 12.5 সাৰাংশ

- ক্ষমতাৰ বিতৰণত বৈষম্যতাই সমাজৰ লিংগ বৈষম্যৰ কাৰণ। পুৰুষ প্ৰধান সমাজত মহিলাৰ ওপৰত কৰা শোষণ আৰু অবদমনেই বৈষম্যতা আনে।
- লিংগৰ বৈষম্যতা আৰু ক্ষমতাৰ গাঁথনিক প্ৰত্যাহ্বান জনাবলৈ মহিলাসকলক সৱলীকৰণ কৰিব লাগিব।

টোকা

- শিক্ষা, স্বাস্থ্য আৰু অৰ্থনৈতিক দিশৰ ক্ষেত্ৰত সবলীকৰণে মহিলাৰ সামৰ্থতা বঢ়ায় আৰু সুবিধাবোৰ মুকলি হয়। ব্যক্তিগত আৰু ৰাজনৈতিক জীৱনত সিদ্ধান্ত গ্ৰহণৰ ক্ষমতা আৰু আত্মসন্মানবোধ বঢ়াব।
- স্ত্ৰীশিক্ষা সমতা পাবলৈ।
- চৰকাৰে স্ত্ৰী শিক্ষা গুৰুত্ব সহকাৰে লৈছে আৰু শিক্ষা সুবিধা দিবলৈ সকলোধৰণৰ পদক্ষেপ লৈছে।
- NPEGEL, KGBV আৰু মহিলাসমক্ষা আঁচনি গ্ৰামীণ ছোৱালী মহিলাৰ শিক্ষা আৰু সবলীকৰণৰ বাবে।
- জীৱন কৌশল শিক্ষা ছোৱালী সবলীকৰাৰ বাবে প্ৰয়োজনীয়।
- ছোৱালী শিক্ষাত শিক্ষকৰ ভূমিকা গুৰুত্বপূৰ্ণ।

## 12.6 অগ্ৰগতিৰ খতিয়ানৰ উত্তৰ

**অগ্ৰগতিৰ খতিয়ান - 1**

1. তলৰ কেইটা মিলাওক

(1) d (2) a (3) b (4) c (5) e (6) g (7) b

**অগ্ৰগতিৰ খতিয়ান - 2**

1. বাক্যবোৰ পূৰ্ণ কৰক

(1) b (2) e (3) a

2. প্ৰশ্নবোৰৰ উত্তৰ দিয়ক

(1) e (2) c (3) c (4) a (5) b

**অগ্ৰগতিৰ খতিয়ান - 3**

1. সঁচা বা মিছা লিখা

a) T b) F c) T d) T e) F f) T g)T h)-T

**অগ্ৰগতিৰ খতিয়ান - 4**

1) e 2) a 3) b&d, 4) a 5) b

## 12.7 প্ৰসংগ পুথি

1. National Policy on Education 1986-http://education.nic.in/policy/npe86- mod 92
2. National Policy for Empowermentof women, 2001- http://wcd.nic.in/ empwomen.htm
3. NPEGEL –http://ssa.nic.in/girls-education/npegel
4. Kasturaba Gandhi BalikaVidyalaya – education.nic.in/



টোকা

kgbv_guidelines.asp MahilaSamakhya –http://www.education.nic.**in/ ms/ms.asp**

## 12.8 গোট অনুশীলনী ঃ

প্ৰকল্পমূলক কাম ঃ

ছাত্ৰ-ছাত্ৰীৰ উৎসাহিত কৰাৰ কাৰণে বাতৰি কাকত বা মেগাজিনৰ পৰা অগতানুগতিক ভূমিকা থকা সবলীকৰণ হোৱা মহিলাৰ ছবি সংগ্ৰহ কৰি এখন চাৰ্ট প্ৰস্তুত কৰক ঃ

উদাহৰণ ঃ

| ক্ৰমিক নং | ছবি | নাম | ক্ষেত্ৰ | |
|---|---|---|---|---|
| | | মিঃ কল্পনা চাওলা | মহাকাশ বিজ্ঞান | মহাকাশ ইঞ্জিনীয়াৰ |
| |   | | | |